অসমীয়া

প্ৰশ্নকাকত—II

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা

সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবোৰ মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours

Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) মাধৱ কন্দলিৰ ৰামায়ণৰ 'অযোধ্যাকাণ্ড'ৰ আধাৰত ৰামচন্দ্ৰৰ অভিষেকৰ বাবে সজাই তোলা অযোধ্যাৰ বৰ্ণনা কৰি এটা টোকা লিখাঁ।

(b) 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত কি কি ৰসৰ সমাৱেশ হৈছে, উদাহৰণসহ আলোচনা কৰাঁ।

(c) মাধৱদেৱৰ ৰৰগীতত বাৎসল্য প্ৰেম সম্পৰ্কে এটি নিবন্ধ লিখাঁ।

(d) 'কথা-ভাগৱত'ৰ তোমাৰ নিৰ্বাচিত পাঠৰ আধাৰত শ্ৰীকৃষ্ণৰ মাহাত্ম্য কিদৰে ফুটি উঠিছে, নিজৰ ভাষাত বৰ্ণনা কৰাঁ।

(e) 'গুৰু-চৰিত-কথা'ত শংকৰদেৱৰ জন্ম আৰু বাল্যকালছোৱা কিদৰে অংকন কৰা হৈছে, এটি আলোচনা যুগুতোৱাঁ।

2. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) শ্ৰীমন্ত শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ মুখ্য নাৰী চৰিত্ৰসমূহৰ মাজত কিদৰে স্বভাৱৰ বৈপৰীত্য আৰু সমধৰ্মিতা প্ৰকাশ পাইছে, আলোচনা কৰাঁ। 20

(b) ''ৰাজসূয়ৰ ভাষা প্ৰাঞ্জল অসমীয়া আৰু সংস্কৃতিৰ পৰিচায়ক। পদৰ লালিত্য, অলংকাৰৰ মাধুৰ্য্য, ভাৱৰ গাম্ভীৰ্য্য, চিত্ৰৰ সৌন্দৰ্য্য আৰু ভক্তিৰ প্ৰাচুৰ্য্যই ইয়াক বাস্তৱিকতে মনোৰম কৰিছে।'' উক্তিষাৰৰ তাৎপৰ্য বিচাৰ কৰাঁ। 15

(c) 'গুৰু-চৰিত-কথা'ৰ গদ্য-ৰীতিৰ বৈশিষ্ট্যসমূহৰ এটি সম্যক আভাস দিয়াঁ। 15

3. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''ধাতু মুদ্ৰা এটিৰ এফালে ৰজাৰ চাব আৰু আনফালে মুদ্ৰাটিৰ বেচফেৰীৰ উল্লেখ থকাৰ দৰে গীতবোৰতো এফালে পৰমপুৰুষৰ মানৱী লীলাৰ ব্যক্তিত্বৰ চাব আৰু ভক্তৰ ভাষাত সেই চাবখিনিৰ মূল্যৰ ইংগিত আছে।'' মাধৱদেৱৰ ৰৰগীতৰ প্ৰসংগত কথাষাৰৰ যথাৰ্থতা নিৰূপণ কৰাঁ। 20

(b) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত প্ৰতিফলিত হোৱা তদানীন্তন অসমীয়া সমাজ-জীৱনৰ এটি আভাস দিয়াঁ। 15

(c) 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটো অৱতাৰণা কৰাত শংকৰদেৱৰ নাট্য-প্ৰতিভা কিদৰে পৰিস্ফুট হৈছে, ব্যাখ্যা কৰাঁ। 15

Optional Province · optionalprovince.com

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''দৈনন্দিন কথ্যভাষাক ভট্টদেৱে গ্ৰহণ কৰা নাই। কথ্যভাষাৰে এটা সাধু আৰু গম্ভীৰ ৰূপ গদ্যত ব্যৱহাৰ কৰিছে।'' এই উক্তিৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে এটি নিবন্ধ লিখাঁ। 20

(b) 'ৰাসক্ৰীড়া' অধ্যায়ৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰাঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয়' কাব্যখনৰ বিষয়বস্তু কি? কাব্যখনত ভক্তিৰস কিদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰাঁ। 15

SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত তদানীন্তন সমাজৰ বাস্তৱ ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

(b) ''''জীৱনৰ বাটত' উপন্যাসৰ পুৰুষ চৰিত্ৰৰ তুলনাত নাৰী চৰিত্ৰবোৰ অধিক উজ্জ্বল, অধিক গতিশীল আৰু প্ৰাণস্পন্দনশীল।'' মন্তব্যটিৰ আধাৰত উপন্যাসখনত তগৰৰ স্থান নিৰূপণ কৰাঁ।

(c) 'সম্ৰাট' কবিতাত আধুনিকতাবাদী ধাৰণা কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰাঁ।

(d) 'কাৰেঙৰ লিগিৰী' নাটকৰ সংলাপ সম্পৰ্কে এটি টোকা লিখাঁ।

(e) ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অহিংস আৰু সশস্ত্ৰ স্বৰূপ দুটি 'মৃত্যুঞ্জয়' উপন্যাসৰ মাজেৰে কিদৰে ফুটি উঠিছে, এটি আভাস দিয়াঁ।

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) আত্মজীৱনীৰ মূল বৈশিষ্ট্যসমূহ কি কি? আত্মজীৱনী হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ সাৰ্থকতা বিচাৰ কৰাঁ। 20

(b) অসমীয়া ৰমণ্যাসিক কবিতাৰ ধাৰাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ৰ স্থান নিৰূপণ কৰাঁ। 15

(c) পদ্মনাথ গোহাঞিবৰুৱাই 'গাঁওবুঢ়া' নাটকত কিদৰে গাঁৱলীয়া জীৱনৰ নিখুঁত পৰিবেশ ৰচনাত দক্ষতা দেখুৱাইছে, এটি আলোচনা আগবঢ়োৱাঁ। 15

Optional Province · optionalprovince.com

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'জীৱনৰ বাটত' উপন্যাসখনৰ মাজেৰে প্ৰকাশ পোৱা অসমৰ লোক-সংস্কৃতি সম্পৰ্কে এটি নিবন্ধ যুগুতোৱাঁ। 20

(b) ''বেজবৰুৱাই তেওঁৰ ব্যংগাত্মক নিবন্ধসমূহৰ মাজেৰে অসমীয়া জাতি আৰু সমাজখনলৈ কিছুমান দৰকাৰী উপদেশ আৰু পৰামৰ্শ আগবঢ়াইছিল।'' এই উপদেশ আৰু পৰামৰ্শসমূহ কেনেধৰণৰ আছিল, 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা'ৰ আধাৰত বিশ্লেষণ কৰাঁ। 15

(c) ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনাৰ ক্ষেত্ৰত বুৰঞ্জী-প্ৰসিদ্ধ ঘটনাৱলীক পটভূমি হিচাপে লোৱাৰ মূল কাৰণ কি কি আছিল বুলি তুমি ভাবা? বুৰঞ্জীমূলক উপন্যাস হিচাপে 'মনোমতী'ৰ এটি আলোচনা যুগুত কৰাঁ। 15

8. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) নৱকান্ত বৰুৱাৰ কবিতাৰ বিশেষত্বসমূহ উল্লেখ কৰি 'সম্ৰাট' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাত বহলাই লিখাঁ। 20

(b) '' 'কাৰেঙৰ লিগিৰী' নাটকখনৰ কাহিনী বিকাশত সংঘাতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।'' মন্তব্যটোৰ আধাৰত নাটকখনৰ মাজেৰে প্ৰতিফলিত হোৱা সংঘাতৰ বিভিন্ন স্বৰূপৰ বিশ্লেষণ কৰাঁ। 15

(c) 'পুৰণি অসমীয়া সাহিত্য' পুথিখনৰ অন্তৰ্গত 'বধ-কাব্য' শীৰ্ষক নিবন্ধত বধ-কাব্যসমূহক য়ুৰোপীয় সাহিত্যৰ ৰোমাঞ্চ কাব্যৰোৰৰ দৰে সাম্যভাব প্ৰৱৰ্তনৰ চেষ্টাৰ পৰা উদ্ভূত বুলি কিয় কোৱা হৈছে, আলোচনা কৰাঁ। 15

★ ★ ★

Optional Province · optionalprovince.com